**2017**

**ASSAMESE**

**Paper : 4.05(B)** (New & old)

# COMPARATIVE AND CONTRASTIVE LINGUISTIC STUDY OF THE LANGUAGES OF ASSAM

Full Marks: 80

Time: 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ লিখা ঃ ১ x ১০ = ১০

(ক) ভাষাবিজ্ঞানৰ বৈসাদৃশ্যমুলক অধ্যয়নৰ ধাৰণাটো প্ৰথম কোনে উদ্ভাৱন কৰিছিল ?

(খ) 'সাদৃশ্যকৰণ' বিষয়টো ভাষাবিজ্ঞানৰ কোনটো শাখাৰ সৈতে জড়িত ?

(গ) 'Introducation a lietude comparative des langues Indo-europeennes' শীৰ্ষক গ্ৰন্থৰ গ্ৰন্থকাৰজনৰ নাম কি ?

(ঘ) বাংলা ভাষাৰ উষ্মধ্বনি কেইটা ?

(ঙ) টাই ভাষাত শব্দৰ অৰ্থ প্ৰকাশৰ ঘাই আহিলা কি ?

(চ) 'বাৰেন্দ্ৰ' কি ভাষাৰ উপভাষা ?

(ছ) টাইটুৰুং ভাষাত |ৰ| ধ্বনিৰ উচ্চৰণ আছেনে ?

(জ) সদাৰাম ব্ৰহ্মই সংগ্ৰহ আৰু সম্পাদনা কৰা ছন্দত লিখা বড়ো ভাষাৰ প্ৰথম গ্ৰন্থখনৰ নাম কি ?

(ঝ) 'দঃত্ৰিঙপঃল' অসমৰ কোনটো জনগোষ্ঠীৰ উপাখ্য দেৱতা ?

(ঞ) অসমত একাক্ষৰী (monoryllabic) অযোগাত্মক ভাষা আছেনে ?

২. চমুকৈ উত্তৰ লিখা ঃ ২ X ৫ = ১০

(ক) উড়িয়া ভাষাৰ সাহিত্যৰ ইতিহাসক কেইটা আৰু কি কি ভাগত ভাগ কৰা হৈছে?

(খ) 'Onomistic Science' বুলিলে কি বুজা?

(গ) অসমলৈ শেহতীয়াভাৱে প্ৰৱজন কৰা টাই গোষ্ঠীটোৰ নাম কি আৰু অসমৰ ক'ত ক'ত তেওঁলোকৰ বসবাস আছে?

(ঘ) শ্যাম-চীন শাখাৰ উত্তৰীয় শাখাটোৰ পৰা ওলোৱা ভাষা কেইটাৰ নাম লিখা।

(ঙ) কাৰ্বি ভাষাৰ কৰণ কাৰক আৰু নিমিত্তকাৰক সূচোৱা বিভক্তিৰ চিন কেইটা উল্লেখ কৰা?

৩. চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ X ২ = ১০

(ক) বাংলা ভাষাৰ উপভাষা

(খ) চিংফৌভাষা

(গ) বড়োভাষাৰ ৰূপগত বৈশিষ্ট্য

(ঘ) টাই-খামতি ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়

৪. অসমীয়া আৰু বাংলা ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয় কৰা । ২+৫= ৭

অথবা

টাই ভাষাৰ লগত-তিব্বত-বৰ্মী ভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা ।



৫. টাইফকে আৰু টাইটুৰুং ভাষাৰ স্বৰধ্বনিৰ দুখন তালিকা প্ৰস্তুত কৰি বৈসাদৃশ্যসমূহ দাঙি ধৰা। ৭

অথবা

অসমীয়া আৰু বড়োভাষাৰ লিংগ আৰু বচন ব্যকৰণগত বিষয় হয়নে বিচাৰ কৰা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।

৬. তুলনামূলক ভাষাবিজ্ঞান কাক বোলে? তুলনামুলক ভাষাবিজ্ঞন চৰ্চাৰ সূচনা আৰু বিকাশ সম্পৰ্কে এটি পৰ্যালোচনা দাঙি ধৰা। ৩ +৯= ১২

৭. অসমীয়া আৰু উড়িয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ দুখন তালিকা প্ৰস্তুত কৰি উদাহৰণসহ এটি ব্যখ্যা কৰা। ১২

৮. ৰাভা ভাষাৰ সৈতে অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ এটি তুলনামূলক আলোচনা কৰা। ১২

৯. অসমৰ যিকোনো এটা থাইচীন শাখাৰ ভাষাৰ সংখ্যাবাচক শব্দ নতুবা সৰ্বনামীয় শ ব্দৰ গঠন আৰু প্ৰয়োগ দেখুৱাই অসমীয়া সৈতে সাদৃশ্য বৈশাদৃশ্য নিৰূপণ কৰা। ১২

১০. অসমীয়া আৰু অসমত প্ৰচলিত যিকোনো এটা তিব্বত-বৰ্মীয় ভাষাৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ উদাহৰণসহ বিচাৰ কৰা। ৮ +৪=১২

——— x ———